**অসম বিধান সভা**
**লিখিত প্ৰশ্ন নং-৫২৩**
**উত্তৰ দিয়াৰ তাৰিখ-২৪/০৭/২০২৬**

বিষয়ঃ ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান, অসমৰ কৰ্মচাৰীৰ দৰমহা। শ্ৰী মজিবুৰ ৰহমান, মাননীয় বিধায়ক।

মাননীয় স্বাস্থ্য ও পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

ক) বৰ্তমানে অসমত ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান (NHM)ৰ অধীনত কিমান কৰ্মচাৰী আৰু বিষয়াই কাম কৰি আছে?

খ) উক্ত কৰ্মচাৰীসকলৰ বেতন আৰু অন্যান্য সা-সুবিধা বৃদ্ধিৰ বাবে স্বাস্থ্য বিভাগে কি ব্যৱস্থা গ্ৰহণ কৰিছে?

গ) ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ অধীনত অসমত কৰ্মৰত ঠিকাভিত্তিক কৰ্মচাৰীসকলৰ চাকৰি নিয়মীয়াকৰণ কৰাৰ বাবে চৰকাৰে কি পদক্ষেপ হাতত লৈছে ?

ঘ) ৰাজ্যৰ স্বাস্থ্য বিভাগৰ স্থায়ী কৰ্মচাৰীসকলৰ সমহাৰত দৰমহা দিয়াৰ ব্যৱস্থা কৰিবনে?

উত্তৰ-

মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী শ্ৰী অশোক সিংহল দেৱে উত্তৰ দিবঃ-

(ক) বৰ্তমান অসমত ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান (NHM) ৰ অধীনত ১৮,৬৮১ গৰাকী কৰ্মচাৰী আৰু বিষয়াই কাম কৰি আছে।

(খ) ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান (NHM) ৰ অধীনৰ কৰ্মচাৰী সকলৰ বেতন আৰু অন্যান্য সা-সুবিধা তলত দিয়া ধৰণৰ।

- ৮% (আঠ শতাংশ) বাৰ্ষিক বৃদ্ধি (Annual increment)
- চিকিৎসাৰ পৰিশোধ (Medical Reimbursement)/মুখ্য মন্ত্ৰী লোক সেৱক অৰোগ্য যোজনা Mukhya Mantri Lok Sevak Arogya Yojana (MMLSY)
- ৭.৫ লাখ টকাৰ (Death benefit)
- মহিলা কৰ্মচাৰীৰ ক্ষেত্ৰত প্ৰসূতি কালীল ছুটী (Maternity Leave) আৰু শিশু যত্নৰ ছুটী (Child Care Leave (CCL))
- ১০ বছৰ সেৱা সম্পূৰ্ণ কৰা ক্মচাৰী সকলৰ বাবে চৰকাৰী নীতি অনুসৰি আৰ্জিত ছুটী (Earned Leave) আৰু অন্যান্য ছুটী।
- মাহিলী ১৫,০০০/- হাজাৰ বা তাতকৈ কম বেতন পোৱা কৰ্মচাৰীৰ বাবে Provident Fund ৰ ব্যৱস্থা আছে।

(গ) ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান (NHM) ৰ অন্তৰ্গত সকলো কৰ্মচৰীয়ে ঠিকাভিত্তিত নিযুক্তি লাভ কৰিছে। তেওঁলোকে স্থায়ী পদৰ বিপৰীতে অৰ্হতা অনুসৰি আবেদন কৰিব পাৰে। ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান (NHM) কৰ্মচৰী সকলক নিয়মীয়া কৰণৰ ব্যৱস্থা নাই।

(ঘ) ঠিকাভিত্তিত নিযুক্তি লাভ কৰা কৰ্মচাৰী সকলক স্থায়ী কৰ্মচাৰীসকলৰ সমহাৰত দৰমহা দিয়াৰ ব্যৱস্থা নাই।

**বিঃদ্ৰঃ- উপৰোক্ত উত্তৰ সমূহ Annexure ৰ সৈতে অসম বিধান সভাৰ ৱেৱচাইটত আপলোড কৰা হৈছে।**